### অধ্যক্ষ ড° সুভাষ বৰ্মনক ব্যক্তি, দল-সংগঠনৰ সম্বৰ্ধনা

# গোৱালপাৰা মহাবিদ্যালয়লৈ নাকৰ 'এ প্লাছ' গ্ৰেড

গোৱালপাৰা ঃ নিজা বাতৰি দিওঁতা, ৯ ফেব্ৰুৱাৰী ঃ নামনি অসমৰ অগ্ৰণী উচ্চ শিক্ষাৰ অনুষ্ঠান গোৱালপাৰা মহাবিদ্যালয়ক 'নাকে', অৰ্থাৎ ৰাষ্ট্ৰীয় প্ৰত্যায়ন আৰু মূল্যায়ন পৰিষদে 'এ প্লাছ' গ্ৰেড প্ৰদান কৰি শিক্ষানুষ্ঠানখনৰ গৌৰৱোজ্জ্বল ভৱিষ্যতৰ দিশে ধাৱমান কৰিলে। নাকৰ ফলাফল ঘোষণা আৰু নাকৰ পিয়েৰ টীমৰ প্ৰতিবেদন ৰাজহুৱা কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে আজি জানিবলৈ দিয়ে যে নাকৰ প্ৰতিনিধি দলে মহাবিদ্যালয়খনৰ শিক্ষণ প্ৰক্ৰিয়াত ৰেডিঅ' মহাবিদ্যালয় গোৱালপাৰা (৮১.৬ এফ এম) ব্যৱহাৰ, মহাবিদ্যালয়ৰ উন্নত মানৰ জি আই এছ ভাষা গৱেষণাগাৰ, বায়'টেক হাব আদিক প্ৰশংসা কৰা বুলি উল্লেখ কৰি কয় যে মহাবিদ্যালয়খনৰ গৱেষণা আৰু বিভিন্ন ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বুজা পৰা চুক্তিকো অনুকৰণীয় বুলি দলটোৱে মত দাঙি




ধৰে। কালি ঘোষিত ফলাফলে মহাবিদ্যালয়খনলৈ এক আনন্দৰ জোৱাৰ আনে। প্ৰায় পাঁচ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ মহাবিদ্যালয়খনে তৃতীয়বাৰৰ বাবে নাকৰ মূল্যায়নৰ সন্মুখীন হৈ 'এ প্লাছ' গ্ৰেড লাভ কৰা মহাবিদ্যালয়খনৰ শৈক্ষিক উৎকৰ্ষতা, ৯০কৈ অধিক উত্তীৰ্ণৰ হাৰ, ছাত্ৰ-ছাত্ৰীৰ নিয়োগ আৰু প্ৰশিক্ষণ কেন্দ্ৰ আৰু উত্তৰণৰ উচ্চ হাৰ, ছাত্ৰ-ছাত্ৰীৰ প্লেচমেণ্ট আৰু কেৰিয়াৰ কাউন্সেলিং আদিক মহাবিদ্যালয়খনৰ সফলতা বুলি অভিহিত কৰে। সৌৰশক্তিৰ ব্যৱহাৰ, বৰষুণৰ পানীৰ সংৰক্ষণ, জৈৱ গেছৰ ব্যৱহাৰ, পাৰিপাৰ্শ্বিকতাৰ দিশত গ্ৰহণ কৰা অভিনৱ কাৰ্যসূচীক দলটোৱে প্ৰশংসা কৰে। লিংগ সমতাৰ বিভিন্ন অনুকৰণীয় ব্যৱস্থা, দুটা ছাত্ৰী জিৰণি কোঠা, দুটাকৈ ছাত্ৰী নিৱাস, ছেনিটাৰী নেপকিন ভেণ্ডিং মেচিনৰ ব্যৱস্থা, মহিলা সুৰক্ষা কৰ্মীৰ নিয়োজন আদি কাৰ্যক অন্যান্য অনুষ্ঠানৰ বাবে অনুকৰণীয় বুলি অভিহিত কৰে। এন এছ এছ, স্কাউট আৰু গাইডৰ পাৰদৰ্শিতাৰ বিভিন্ন কাম-কাজ কেন্দ্ৰীয় যুৱ কল্যাণ মন্ত্ৰালয়ৰ দ্বাৰা প্ৰশংসিত হয়। ৩২গৰাকীকৈ এন চি চি কেডেটে 'বি আৰু চি' চাৰ্টিফিকেট লাভ কৰা, এন চি চি ৩০ নম্বৰ বেটেলিয়নৰ তিনি বছৰ ধৰি গোৱালপাৰা মহাবিদ্যালয়লৈ শ্ৰেষ্ঠ দলৰ স্বীকৃতি আদিৰ বাবেও নাকৰ দলে প্ৰশংসা কৰে। কাষৰীয়া গাঁওসমূহৰ উন্নয়নৰ বাবে কৰি অহা কাম বিশেষভাৱে বৈজ্ঞানিক মানসিকতাৰ প্ৰসাৰৰ বাবে আৰু পাৰিপাৰ্শ্বিকতাৰ সংৰক্ষণৰ বাবে গ্ৰহণ কৰা কাৰ্যসূচীসমূহৰ প্ৰশংসা কৰে মহাবিদ্যালয়খনৰ সাংস্কৃতিক সংগ্ৰহালয়, পৰিৱেশ্য কলা কেন্দ্ৰ, ধানৰ সংগ্ৰহালয় তথা মহাবিদ্যালয় চৌহদৰ চৌপাশে উত্তৰ-পূব ভাৰতৰ ইতিহাসৰ ঐতিহ্য বহন কৰি স্থাপত্য-ভাস্কৰ্যকো নাকৰ দলটোৱে প্ৰশংসা কৰে। বিগত সময়ছোৱাত এ পি এছ চি, ইউ জি চি, নেট তথা বিভিন্ন ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰীক্ষাত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে দেখুওৱা কৃতিত্বৰ প্ৰশংসা কৰে।